জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৫৬/২০২২

**অতিৰিক্ত উপায়ুক্ত (ৰাজহ), ৰাজহ চক্ৰ বিষয়া আৰু সংলগ্ন চক্ৰ বিষয়াসকলৰ সৈতে মিছন বসুন্ধৰাৰ অগ্ৰগতি সম্পৰ্কত মুখ্যমন্ত্ৰীৰ পৰ্যালোচনা সভা**

# মিছন বসুন্ধৰা যাতে ৰাজহ ব্যৱস্থাপনাৰ এক উজ্জ্বল নিদৰ্শন হিচাপে পৰিগণিত হয় তাৰ বাবে নিষ্ঠাৰে কাম কৰাৰ বাবে সকলো বিষয়াক মুখ্যমন্ত্ৰীৰ আহ্বান

**দিছপুৰ, ১২ ফেব্ৰুৱাৰী ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত অতিৰিক্ত উপায়ুক্ত (ৰাজহ), ৰাজহ চক্ৰ বিষয়া আৰু সংলগ্ন চক্ৰ বিষয়াসকলৰ সৈতে হোৱা এক সভাত মিছন বসুন্ধৰাৰ সামগ্ৰিক অগ্ৰগতিৰ পৰ্যালোচনা কৰে। উল্লেখ্য যে ২০২১ চনৰ ২ অক্টোবৰত আৰম্ভ কৰা এই মিছনৰ অধীনত ৮ লাখ ১০ হাজাৰতকৈও অধিক আবেদন লাভ কৰা হৈছে আৰু বৰ্তমানলৈ ইয়াৰে ৩ লাখ ২০ হাজাৰৰো অধিক সেৱা নিষ্পত্তি কৰা হৈছে। ২০২২ চনৰ ১০ মে'ৰ ভিতৰত সকলোবোৰ আবেদনৰ নিষ্পত্তিকৰণৰ সময়সীমা নিৰ্দ্ধাৰণ কৰা হৈছে। আজিৰ এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে মিছন সম্পৰ্কীয় যিকোনো অভাৱ-অভিযোগ অৱগত কৰাৰ বাবে মিছন বসুন্ধৰাৰ ইণ্টিগ্ৰিটি হেল্পলাইনো আনুষ্ঠানিকভাৱে মুকলি কৰে।

পৰ্যালোচনা সভাত বক্তব্য প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে এই অভিযানৰ লগত জড়িত থকা সকলো অতিৰিক্ত উপায়ুক্ত (ৰাজহ), ৰাজহ চক্ৰ বিষয়া আৰু সংলগ্ন চক্ৰ বিষয়াসকলক ঐকান্তিকতাৰে নিজৰ দায়িত্ব পালন কৰাৰ বাবে আহ্বান জনায়। এই প্ৰসংগত মুখ্যমন্ত্ৰীয়ে নিজৰ কাৰ্যালয়ৰ আওতাৰ আবেদনসমূহ অগ্ৰাধিকাৰৰ ভিত্তিত নিষ্পত্তি কৰাৰ পদক্ষেপ ল'বলৈ আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে অতিৰিক্ত উপায়ুক্ত (ৰাজহ)ক নাকচ কৰা আবেদনসমূহ ভালধৰণে পুনৰীক্ষণ কৰাৰ পদক্ষেপ ল'বলৈ নিৰ্দেশ দিয়ে যাতে কোনো আবেদন গ্ৰহণযোগ্য কাৰণ নোহোৱাকৈ নাকচ নহয়। মুখ্যমন্ত্ৰীয়ে লগতে মানসম্পন্ন নিষ্পত্তিকৰণ (কুৱালিটি ডিছপোজেল)ৰ ওপৰত গুৰুত্ব আৰোপ কৰিবলৈ বিষয়াসকলক আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে আবেদনসমূহ নিষ্পত্তিকৰণৰ দিশত বিলম্বতাবিহীন, নিখুঁত আৰু ক্ৰমসূচী ভালদৰে মানি চলাৰ ওপৰত গুৰুত্ব আৰোপ কৰিবলৈ বিষয়াসকলক নিৰ্দেশ দিয়ে। সকলো ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ত যাতে সঠিক নীতি-নিয়ম মানি চলা হয় তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিবলৈও তেওঁ আহ্বান জনায়। এই ক্ষেত্ৰত ৰাজহ চক্ৰ বিষয়াসকলে সদায় সচেষ্ট আৰু সতৰ্কতাৰে কাম কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয় যাতে তেওঁৰ কাৰ্যালয়ৰ কোনো এগৰাকী ব্যক্তিয়ে কোনোধৰণৰ আইন বিৰুদ্ধ অথবা বেয়া কাম কৰিব নোৱাৰে। মুখ্যমন্ত্ৰীয়ে স্থানীয় ভূমি সম্বন্ধীয় সমস্যাসমূহ নিজৰ কাৰ্যকালৰ সময়সীমাত সমাধানৰ পথ প্ৰশস্ত কৰাৰ পদক্ষেপ ল'বলৈও চক্ৰ বিষয়াসকল আহ্বান জনায়। মিছন বসুন্ধৰাৰ প্ৰথম পৰ্যায়ৰ অভিজ্ঞতাৰে ৰাজ্যখনত যাতে

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

সকলো একচনীয়া পট্টা, তৌজিবাহী খাজনাৰ বিষয়সমূহ একেবাৰে সমাধান কৰি যুগ যুগ ধৰি বসতি কৰা খিলঞ্জীয়া পৰিয়ালক মাটিৰ পট্টা দিব পৰা যায় তাৰ বাবে মিছন বসুন্ধৰাৰ দ্বিতীয় পৰ্যায় ভৱিষ্যতে আৰম্ভ কৰাৰো মুখ্যমন্ত্ৰীয়ে পোষকতা কৰে। মিছন বসুন্ধৰা যাতে ৰাজহ ব্যৱস্থাপনাৰ এক উজ্জ্বল নিদৰ্শন হিচাপে পৰিগণিত হয় তাৰ বাবে সকলো বিষয়াই নিষ্ঠাৰে কাম কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। এই সম্পৰ্কত মুখ্যমন্ত্ৰীয়ে কয় যে ভূমি, ৰাজহ, প্ৰশাসন ব্যৱস্থাৰ আমূল পৰিৱৰ্তনৰ দিশত মিছন বসুন্ধৰাই এক সুযোগ প্ৰদান কৰিছে। সেয়েহে, এই সুযোগ গ্ৰহণেৰে আগন্তুক ৩-৪ বছৰৰ ভিতৰত ৰাজ্যখনৰ ভূমিৰ যিমান সমস্যা আছে সেই সমস্যাসমূহ সমাধান কৰাৰ দিশত বিষয়াসকলে নিষ্ঠাৰে কাম কৰিব লাগিব বুলিও তেওঁ কয়।

ভূমিলেখ্য সঞ্চালক জ্ঞানেন্দ্ৰ ত্ৰিপাঠীয়ে আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই পৰ্যালোচনা সভাত মুখ্য সচিব জিষ্ণু বৰুৱাইও মিছনৰ বিভিন্ন দিশ সামৰি বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী যোগেন মহন, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহা, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ আয়ুক্ত সচিব অমিতাভ ৰাজখোৱাকে ধৰি জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে। পৰ্যালোচনা সভাৰ আৰম্ভণিতে মিছন বসুন্ধৰাৰ অগ্ৰগতিৰ বিভিন্ন দিশ সামৰি এক প্ৰেজেণ্টেশ্যনো আগবঢ়োৱা হয়।

**বঃভাঃ**
**১২-২-২০২২**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in